REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 23-09-2022

Time : 1845 Hrs

# ASSAMESE EVENING BULLETIN

## HEADLINES

১। ২৪ টা বিভাগত নিযুক্তিপত্ৰ লাভ কৰা যুৱক-যুৱতীসকলক কৰ্মজীৱনৰ কোনো দিনতে দুৰ্নীতিক প্ৰশ্ৰয় নিদিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আহ্বান।

২। কোৱিড পৰিস্থিতিৰ বাবে বিগত আঢ়ৈ বছৰৰো অধিক দিন বন্ধ হৈ থকা ৰাজ্যখনৰ ভাৰত-ভূটান প্ৰৱেশদ্বাৰসমূহ মুকলি।

৩। আয়ুস্মান ভাৰত আঁচনিৰ চতুৰ্থ বৰ্ষপূৰ্তি উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য শিবিৰ আৰু সজাগতা কাৰ্যসূচী গ্ৰহণ।

৪। গুজৰাটত হ'বলগীয়া ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাবে অসম দলৰ অফিচিয়েল কিট মুকলি।

*আৰু*

৫। নাগপুৰত আজি হবলগীয়া ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ দ্বিতীয়খন টি-টুৱেণ্টিত বতৰৰ বিঘিনি।

০০০০০

ৰাজ্য চৰকাৰে ১ লাখ যুৱক-যুৱতীক চৰকাৰী কৰ্ম-সংস্থাপন প্ৰদান কৰাৰ প্ৰতিশ্ৰুতিৰ অংশ হিচাপে আজি গুৱাহাটীৰ খানাপাৰাত ২৪ টা বিভাগৰ ১১ হাজাৰ ২৩৬ টা পদৰ বাবে নিযুক্তি পত্ৰ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোগ্য প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰে। ৰাজ্য চৰকাৰে সম্পূৰ্ণ নিকা আৰু স্বচ্ছ প্ৰক্ৰিয়াৰে মেধা আৰু যোগ্যতাৰ ভিত্তিত এই নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰা বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই মন্তব্য কৰে। তেওঁ লগতে কয় যে, এই নিযুক্তি প্ৰক্ৰিয়াই বহু দুখীয়া পৰিয়ালৰ মাজত আনন্দৰ জোৱাৰ তুলিছে। আনহাতে, নৱ-নিযুক্ত প্ৰতিগৰাকী যুৱক-যুৱতীক কৰ্ম জীৱনৰ কোনো দিনে দুৰ্নীতিক প্ৰশ্ৰয় নিদিও বুলি সংকল্প লবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰী শৰ্মাই লগতে উল্লেখ কৰে যে, পুনৰ ১০ হাজাৰ চৰকাৰী পদত নিযুক্তিৰ বাবে ৰাজ্য চৰকাৰে শীঘ্ৰেই বিজ্ঞাপন প্ৰকাশ কৰিব। ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ প্ৰায় ৬০ হাজাৰ পদৰ নিযুক্তি প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে বুলিও তেওঁ মন্তব্য কৰে।

উল্লেখযোগ্য যে আজি গৃহ আৰু ৰাজনৈতিক বিভাগত ৫ হাজাৰ ৩৩৫ গৰাকী, উচ্চ আৰু কাৰিকৰী শিক্ষা বিভাগত ৯২৭, বিদ্যালয় শিক্ষা বিভাগত ৩ হাজাৰ ৮১১, উদ্যোগ আৰু ৰাজহুৱা প্ৰতিষ্ঠানত এগৰাকী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ২৭৭, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত ২৯৯, লোক নিৰ্মাণ বিভাগত ৩০৪, পৰ্যটন বিভাগত ৬ গৰাকী, জলসিঞ্চন বিভাগত ১৩৭, পৰিবহন বিভাগত ৩ গৰাকী, গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগত এগৰাকী, পৰিৱেশ আৰু বন বিভাগত ৩৩, মহিলা আৰু শিশু উন্নয়ন বিভাগত ৪ গৰাকী,

জলসম্পদত ৩ গৰাকী, জনস্বাস্থ্য কাৰিকৰী বিভাগত ৪ গৰাকী, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগত ১৩ গৰাকী আৰু পৰ্যটন বিভাগত ৬ গৰাকীকে ধৰি অন্যান্য বিভাগত নিযুক্তি দিয়া হয়। আনহাতে, হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগত ৬ গৰাকী, ৰূপান্তৰ আৰু উন্নয়ন বিভাগত ১১ গৰাকী, সমবায় বিভাগত দুগৰাকী, দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগত ২৪ গৰাকী, তথ্য আৰু জনসংযোগ বিভাগত এগৰাকী, তথ্য-প্ৰযুক্তি বিভাগত ৪ গৰাকী, পশুপালন আৰু পশু চিকিৎসা বিভাগত ২৭ গৰাকী আৰু মীন বিভাগত ৩ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়।

আজিৰ নিযুক্তি সমাৰেশত কেইবাগৰাকীও মন্ত্ৰীৰ লগতে মুখ্য সচিব পৱন বৰঠাকুৰ আৰু আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত উপস্থিত থাকে।

ইফালে, নিযুক্তি পত্ৰ লাভ কৰা ৰাজ্যৰ ১১ হাজাৰ ২৩৬ গৰাকী যুৱক-যুৱতীক ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০

কোৱিড পৰিস্থিতিৰ বাবে বিগত আঢ়ৈ বছৰৰো অধিক বন্ধ হৈ থকা ৰাজ্যখনৰ ভাৰত-ভূটান প্ৰৱেশদ্বাৰসমূহ আজি মুকলি কৰা হৈছে। চিৰাং জিলাৰ দাদগিৰি-গেলেফু আন্তঃৰাষ্ট্ৰীয় প্ৰৱেশদ্বাৰ আজি ভাৰতীয় নাগৰিকৰ প্ৰৱেশৰ বাবে মুকলি কৰা হয়। এই উপলক্ষে অঞ্চলটোত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। তামুলপুৰ জিলাৰ সীমান্তৰ ভূটান ৰাষ্ট্ৰৰ চানদ্ৰূপ ঝংখাৰ প্ৰৱেশদ্বাৰ আজি মুকলি কৰা হয়। কোৱিড পৰিস্থিতিৰ বাবে মৈত্ৰী ৰাষ্ট্ৰ ভূটানৰ সৈতে অসম সীমান্তৰ আহ-যাহ বন্ধ হোৱাৰ ফলত বেপাৰ-বাণিজ্যও বন্ধ হৈ পৰিছিল। অঞ্চলটোৰ দৰঙা মেলাৰ ব্যৱসায়ীসকলৰ জীৱন আৰু জীৱিকাৰ ক্ষেত্ৰত সমস্যাই দেখা দিছিল। আজি এই প্ৰৱেশদ্বাৰ মুকলি হোৱাৰ ফলত অঞ্চলবাসীৰ মনত আশাৰ সঞ্চাৰ হৈছে। আজি বাক্সাৰ নামলাং আৰু পাণবাং প্ৰৱেশদ্বাৰো খোল খাইছে। ইয়াৰ ফলত ভূটানত প্ৰৱেশৰ বাবে ভাৰতীয়লোকসকলে শাৰী পতা পৰিলক্ষিত হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমে আজি দ্বিতীয়বাৰৰ বাবে ৰাজ্যখনত স্বাস্থ্য সেৱা অভিযান আৰম্ভ কৰে। যোৱা ২৫ আগষ্টত আয়োজিত প্ৰথমটো বিশেষ স্বাস্থ্য শিৱিৰৰ সফলতাৰ পাছত আজি এই অভিযান মুকলি কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ আয়ুস্মান ভাৰত আঁচনিৰ চতুৰ্থ বৰ্ষপূৰ্তি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য শিৱিৰ আৰু সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই কাৰ্য্যসূচীত ১৫ হাজাৰৰো অধিক ৰোগীৰ পৰীক্ষা কৰা হয়।

চিৰাং জিলাত স্বাস্থ্য সেৱা সমিতিৰ উদ্যোগত চিদলি স্বাস্থ্য খণ্ডৰ অধীনৰ হাতীপোটা মাদ্ৰাছাত আজি এই উপলক্ষে এটা সজাগতা সমদল উলিওৱা হয়। তদুপৰি অনুষ্ঠানৰ লগত সংগতি ৰাখি মুকলি কৰা স্বাস্থ্য শিবিৰত ৰোগীসকলক পৰীক্ষা কৰি বিনামূলীয়াকৈ ওষধ প্ৰদান কৰা হয়। দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ ঝোগৰাচৰ এলেকাৰ দাকেৰগাওঁত আজি চিকিৎসা শিবিৰ মুকলি কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭২ সংখ্যক জন্ম দিৱসৰ সৈতে সংগতি ৰাখি এই কাৰ্যসূচী লোৱা হয়। ওদালগুৰি আৰু ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সহযোগত আজি দুটা স্বাস্থ্য পৰীক্ষা শিবিৰ মুকলি কৰা হয়। ইপিনে ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ দৌগদহৰত আজি সীমান্ত সুৰক্ষা বাহিনীৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য শিবিৰ মুকলি কৰা হয়। এই শিবিৰত সহস্ৰাধিক শিশু সহ পুৰুষ-মহিলাৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ

উদ্যোগত আজি বৰপেটা জিলাৰ দুটা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনত বিশেষ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। শিবিৰত চকু আৰু দন্ত বিভাগৰ বিশেষজ্ঞ চিকিৎসক উপস্থিত থাকে।

শিৱসাগৰ জিলাতো আজি সেৱা পযেক উপলক্ষে বিনামূলীয়া চিকিৎসা শিবিৰ মুকলি কৰা হয়। এই শিবিৰত মধুমেহ, ৰক্তচাপ, চকু, দাঁত আদিৰ ৰোগৰ পৰীক্ষা কৰা হয়।

০০০০০

স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই আয়ুস্মান ভাৰত- প্ৰধানমন্ত্ৰী জন আৰোগ্য যোঁজনা আঁচনিখনে উন্নত স্বাস্থ্য সেৱা প্ৰদানৰ ক্ষেত্ৰত জনসাধাৰণক উপকৃত কৰিছে বুলি আজি গুৱাহাটীত মন্তব্য কৰিছে। খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত আয়ুস্মান ভাৰত দিৱস কাৰ্যসূচীত অংশ গ্ৰহণ কৰি এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে উৎকৃষ্ট সেৱাৰ বাবে এপ'ল' চিকিৎসালয় আৰু আয়ুৰচন্দ্ৰা চিকিৎসালয়ক স্বীকৃতিপত্ৰ প্ৰদান কৰে। আয়ুস্মান ভাৰত আঁচনিখনৰ অধীনত ৰাজ্যখনৰ সকলো যোগ্য ব্যক্তিক সামৰি লব পৰাকৈ স্বাস্থ্য বিভাগে ইতিমধ্যে বিশেষ কৰ্মসূচী প্ৰস্তুত কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

প্ৰধানমন্ত্ৰীৰ নিৰ্বাচিত ভাষণৰ এখন সংকলন আজি নতুন দিল্লীৰ আকাশবাণী ভৱনত মুকলি কৰা হয়। **সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস - প্ৰাইমমিনিষ্টাৰ নৰেন্দ্ৰ মোদী স্পীক্ছ** শীৰ্ষক গ্ৰন্থখনে প্ৰধানমন্ত্ৰী মোদীৰ এখন নতুন ভাৰতৰ পৰিকল্পনাক প্ৰতিফলিত কৰিছে। এই গ্ৰন্থখন প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু, কেৰালাৰ ৰাজ্যপাল আৰিফ মহম্মদ খান আৰু তথ্য আৰু সম্প্ৰচাৰ অনুৰাগ ঠাকুৰে উন্মোচন কৰে। প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৱে কয় যে **সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস - প্ৰাইমমিনিষ্টাৰ নৰেন্দ্ৰ মোদী স্পীক্ছ** গ্ৰন্থখনে নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন চৰকাৰখনৰ ধাৰণা আৰু সংকল্প প্ৰতিফলিত কৰিছে। তেওঁ কয় যে সংস্কাৰ আৰু সুশাসনেই এখন সফল চৰকাৰৰ মূলমন্ত্ৰ আৰু ইয়েই জনসাধাৰণৰ জীৱন ধাৰণ প্ৰণালী সলনি কৰে। অনুষ্ঠানত উপস্থিত থাকি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ ঠাকুৰে কয় যে, গ্ৰন্থখনে প্ৰধানমন্ত্ৰীৰ নতুন ভাৰত গঢ়াৰ পৰিকল্পনা আৰু এই ক্ষেত্ৰত তেওঁৰ সৰল নেতৃত্বক প্ৰতিফলিত কৰিছে। ইয়াৰ ফলস্বৰূপে আজি ভাৰতবৰ্ষই বিশ্বৰ ভিতৰতেই পঞ্চম বৃহৎ অৰ্থনীতি হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। অনুষ্ঠানত তথ্য আৰু সম্প্ৰচাৰ সচিব অপূৰ্ব চন্দ্ৰৰ লগতে মন্ত্ৰ্যালয়ৰ আন জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা এই অনুষ্ঠানৰ আয়োজন কৰা হয়। গ্ৰন্থখনে জন অংশীদাৰিত্বৰ জৰিয়তে এখন নতুন ভাৰতৰ বাবে থকা জনসাধাৰণৰ আশা-আকাংক্ষাসমূহ প্ৰতিফলিত কৰিছে। গ্ৰন্থখনত ২০১৯ চনৰ মে'ৰ পৰা ২০২০ চনৰ মে'লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৮৬টা বিশেষ ভাষণ সন্নিৱিষ্ট কৰা হৈছে। ভাষণসমূহ আত্মনিৰ্ভৰ ভাৰত- অৰ্থনীতি, জনসাধাৰণ- প্ৰথম প্ৰশাসন, কোৱিড-১৯ যুঁজ, প্ৰগিতশীল ভাৰত- বৈদেশিক পৰিক্ৰমা, জয় কিষাণ আদিকে ধৰি ১০টা বিষয়ত বিভক্ত কৰা হৈছে।

০০০০০

অসম আৰক্ষীয়ে পপুলাৰ ফ্ৰন্ট অৱ ইণ্ডিয়া নামৰ সংগঠনটোৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখি পুনৰ এজন নেতাক গ্ৰেপ্তাৰ কৰিছে। অসম আৰক্ষীৰ বিশেষ শাখাই গ্ৰেপ্তাৰ কৰা পশ্চিমবঙ্গ পি এফ আইৰ ৰাজ্যিক সভাপতি মিনাৰুল শ্বেখক ইতিমধ্যে কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত

হাজিৰ কৰোৱা হৈছে। উল্লেখ্য যে, অসম আৰক্ষীয়ে এই পৰ্য্যন্ত ১১ জন পি এফ আইৰ নেতা-কৰ্মীক গ্ৰেপ্তাৰ কৰিছে।

ooooo

অসমৰ সামাজিক-সাংস্কৃতিক, আধ্যাত্মিক আৰু অৰ্থনৈতিক দিশৰ উন্নয়নৰ লক্ষ্যৰে পৰিকল্পনা যুগুত কৰিবলৈ অহা কাইলৈৰ পৰা পৰা ২৬ ছেপ্তেম্বৰলৈ কাজিৰঙাত চিন্তন শিবিৰ অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই শিবিৰৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ২৫ ছেপ্তেম্বৰৰ অনুষ্ঠানত আধ্যাত্মিক গুৰু ৰবিশংকৰে ভাষণ দিব। এই শিবিৰত অসমৰ উপৰি উত্তৰ প্ৰদেশ আৰু অন্ধ্ৰ প্ৰদেশৰ মুখ্য সচিব, কৰ্ণাটকৰ ভূমি, জৰীপ আৰু বন্দোবস্তি বিভাগৰ আয়ুক্তৰ উপৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকিব।

ooooo

ৰাষ্ট্ৰীয় সেৱা যোজনাৰ উদ্যোগত আজি ধুবুৰী জিলাৰ বিলাসীপাৰাত আয়ুৰ্বেদ দিৱস পালন কৰা হয়। এই উপলক্ষে এখন বনৌষধিৰ সজাগতামূলক প্ৰদৰ্শনী মুকলি কৰা হয়। আনহাতে, অনুষ্ঠানৰ সৈতে সংগতি ৰাখি এখন সভাও অনুষ্ঠিত হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ ছেপ্তেম্বৰত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া **মন কী বাত** অনুষ্ঠানৰ ৯৩ সংখ্যক খণ্ডৰ বাবে জনসাধাৰণৰ দিহা-পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে নমো এপ বা মাই গভ্ প'ৰ্টেলৰ মুকলি মঞ্চৰ জৰিয়তে নিজৰ দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি হিন্দী বা ইংৰাজী ভাষাত নিজৰ বাৰ্তা বাণীবদ্ধ কৰিব পাৰিব। ফোন লাইনসমূহ আজিলৈ খোলা আছে। জনসাধাৰণে ১৯২২ নম্বৰত মিছড কল দিয়াৰ পাছত এছ এম এছৰ জৰিয়তে লাভ কৰা লিংকৰ মাধ্যমেৰেও দিহা পৰামৰ্শ আগবঢ়াব পাৰিব।

ooooo

৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ গ্ৰহণ কৰিবলগীয়া অসমৰ দলটোৰ অফিচিয়েল কিট আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উন্মোচন কৰে। নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত অফিচিয়েল কিট উন্মোচনী অনুষ্ঠানত কেন্দ্ৰীয় সৰ্বানন্দ সোণোৱালেও অংশ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে অসমৰ দলটোৰ খেলুৱৈসকলক শুভেচ্ছা জ্ঞাপন কৰে। আনহাতে, মুখ্যমন্ত্ৰী ড০ শৰ্মাই অহা বছৰৰ মাৰ্চ এপ্ৰিল মাহত নতুন আৰু গতিশীল ক্ৰীড়ানীতি যুগুত কৰাৰ কথা প্ৰকাশ কৰে। লগতে ৰাষ্ট্ৰীয় গেমছত পদকলাভ কৰা প্ৰতিগৰাকী খেলুৱৈক চৰকাৰী চাকৰী দিয়া হব বুলি তেওঁ ঘোষণা কৰে।

সমাগত প্ৰতিযোগিতাখনত অসমে শীৰ্ষ ৫ টা দলৰ মাজত থাকিব বুলি কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে অহা ২৭ চেপ্তেম্বৰৰ পৰা গুজৰাটৰ ৬ খন চহৰত ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহ অনুষ্ঠিত হ'ব।

ooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত চলি থকা ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন টি-টুৱেণ্টি খেলত বতৰে বিধি পথালি দিছে। বৰষুণৰ বাবে নাগপুৰৰ বিদৰ্ভ ক্ৰিকেট ষ্টেডিয়ামৰ খেলপথাৰ সিক্ত হৈ পৰিছে। ফলস্বৰূপে এই পৰ্যন্ত খেলখন বিলম্ব হোৱাৰ আশংকা ঘণিভূত হৈছে। উল্লেখ্য যে, ইতিমধ্যে প্ৰথমখন খেলত জয়ী হৈ ভ্ৰমণকাৰী অষ্ট্ৰেলিয়াই শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰি আছে।

০০০০০

গুৱাহাটীৰ ছাই কেন্দ্ৰৰ ইন্দোৰ ষ্টেডিয়ামত অনুষ্ঠিত খেল ইণ্ডিয়া পূব মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলা বক্সিং চেম্পিয়নশ্বিপৰ আজি সামৰণি পৰিছে। প্ৰতিযোগিতাখনত জুনিয়ৰ তথা যুৱ বিভাগৰ ১৯ টা ওজন শাখাৰ খেল অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাত মণিপুৰে ১২ টা সোণৰ পদক লাভ কৰি শ্ৰেষ্ঠ দলৰ সন্মান অৰ্জন কৰে। আনহাতে, ঘৰুৱা দল অসমে পাঁচটা সোণ, আঠটা ৰূপ আৰু ১৫ টা ব্ৰঞ্জসহ মুঠ ২৮ টা পদক লাভ কৰি পদক তালিকাত দ্বিতীয় স্থান লাভ কৰিছে। প্ৰতিযোগিতাত মিজোৰামে দুটা সোণৰ পদক লাভ কৰি তৃতীয় স্থান লাভ কৰে। উল্লেখযোগ্য যে যোৱা নিশা অনুষ্ঠিত ফাইনেলত অসমৰ ১৩ গৰাকী বক্সাৰ অৱতীৰ্ণ হৈছিল আৰু ইয়াৰে ৫ গৰাকী বক্সাৰে সোণৰ পদক জয় কৰিবলৈ সমৰ্থ হয়। আনহাতে, ৮ গৰাকী বক্সাৰ ফাইনেলত পৰাস্ত হৈ ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ কাইলৈ নিশা ৮ বজাত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত অসমত জলজীৱন মিছন সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। অনুষ্ঠানত জলজীৱন মিছনৰ মিচন সঞ্চালক কৈলাশ কাৰ্তিক এন অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০

কেন্দ্ৰীয় আইন আৰু ন্যায় দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৰে আজি নগাঁও জিলাৰ কলিয়াবৰ মহকুমাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা কলিয়াভোমোৰা আৰু তেজপুৰ সংযোগী দলংখন পৰিদৰ্শন কৰে। নিৰ্মাণ সম্পূৰ্ণ হৈ উঠা এই দলংখনে সমগ্ৰ উত্তৰ পূবৰ ৰাজ্যসমূহৰ মাজত যোগাযোগ ব্যৱস্থা সুচল কৰি তুলিব বুলি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীৰিজিজুৰে আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে আজি কলিয়াবৰত বিজেপিৰ এখন দলীয় সভাতো অংশগ্ৰহণ কৰে। এই সভাত বিজেপিৰ কলিয়াবৰ জিলা সমিতিৰ সহস্ৰাধিক নেতা-কৰ্মী উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীৰিজিজুৰে কলিয়াবৰৰ হাটবৰৰ ভৰালী নামঘৰত সেৰা আগবঢ়ায়। কেন্দ্ৰীয়মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত সাংসদ কামাখ্যা প্ৰসাদ তাছাও উপস্থিত আছিল।

০০০০

সমাপ্ত